REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-11-2026
Time : 12.05 PM

ASSAMESE 12.05 PM BULLETIN

———————————————————————————

১। ৰাজ্যজুৰি আধ্যাত্মিক পৰিৱেশ আৰু উলহ-মালহেৰে পৱিত্ৰ ৰাস মহোৎসৱ উদযাপন।

২। আকাশবাণীৰ উদ্যোগত আজি কটন বিশ্ববিদ্যালয়ত AIR RISING STARS শীৰ্ষক যুৱ সংগীত সম্মিলনৰ উদ্বোধনী সংস্কৰণ।

৩। শ্ৰীভূমি জিলাৰ কুশিয়াৰা নৈত বি এছ এফ জোৱান কে ভেনুৰ মৃতদেহ উদ্ধাৰ। **আৰু**

৪। মহিলাৰ এছিয়ান চেম্পিয়নছ্ হকী প্ৰতিযোগিতাত আজি ভাৰত আৰু জাপান মুখামুখি।

০০০০০০

ৰাজ্যজুৰি আধ্যাত্মিক পৰিৱেশ আৰু উলহ-মালহেৰে পৱিত্ৰ ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। শ্ৰীকৃষ্ণৰ ৰাসলীলাক কেন্দ্ৰ কৰি ৰাজ্যৰ সত্ৰ, নামঘৰ আৰু ৰাস মণ্ডপসমূহত ভক্তিপ্ৰাণ ৰাইজৰ ব্যাপক সমাগম হৈছে। সত্ৰ নগৰী মাজুলীৰ দক্ষিণপাট, আউনীআটি, গড়মুৰ আৰু কমলাবাৰী সত্ৰকে ধৰি বিভিন্ন ৰংগমঞ্চত মঞ্চস্থ হৈছে পৰম্পৰাগত ৰাসলীলা। মুখাশিল্প আৰু গায়ন-বায়নৰ ধৰনিৰে মুখৰ হৈ পৰিছে নদীদ্বীপ মাজুলী। মাজুলীৰ ৰাস মহোৎসৱ উপভোগ কৰাৰ বাবে দেশ-বিদেশৰ বহু লোকৰ নদীদ্বীপটোলৈ আগমন হৈছে। এই ৰাস উদযাপন সন্দৰ্ভত এয়া মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক—

ৰাইট

নামনি অসমৰ নলবাৰীৰ ঐতিহাসিক শ্ৰীশ্ৰীহৰিমন্দিৰ প্ৰাঙ্গণত মৃণ্ময় মূৰ্তিৰ লগতে মির্জা, পলাশবাৰী, শুৱালকুছি, হাউলী, টিহু, বঙাইগাঁও, গোৱালপাৰাতো ঠায়ে ঠায়ে জীৱন্ত ৰাস আৰু আকৰ্ষণীয় আলোকসজ্জাৰে উৎসৱৰ আয়োজন কৰা হৈছে। গোৱালপাৰাৰ দুধনৈ, শিমলীতোলা, খুটাবাৰী, দুবাপাৰা আদি ঠাইতো বিস্তৃত কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। দুধনৈত দুধনৈ সাৰ্বজনীন ৰাস মহোৎসৱ উদযাপন সমিতিৰ উদ্যোগত ১৫ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ পালন কৰা হৈছে। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা দুধনৈ সমষ্টিৰ বিধায়ক টংকেশ্বৰ ৰাভাই ৰাসৰ দ্বাৰ মুকলি কৰি ৰাস মহোৎসৱৰ শুভাৰম্ভ কৰে। গোৱালপাৰা চহৰৰ চন্দৰীঅ' পথাৰত ৭ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। ৰাস উপলক্ষে বিভিন্ন প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে।

০০০০০০

নতুন প্ৰজন্মৰ সংগীত প্ৰতিভাক বিকশাই তোলা আৰু ভাৰতৰ চহকী তথা বৈচিত্ৰময় সাংগীতিক ঐতিহ্যক আগুৱাই নিয়াৰ বাবে আকাশবাণীয়ে AIR RISING STARS শীৰ্ষক যুৱ সংগীত সম্মিলনৰ উদ্বোধনী সংস্কৰণ আৰম্ভ কৰিছে। ৩০ বছৰ অনুৰ্ধ শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত বিশেষ সংগীতানুষ্ঠানৰ ৰাষ্ট্ৰজোৰা শৃংখলাৰ অংশ হিচাপে আকাশবাণী গুৱাহাটীয়ে আজি কটন বিশ্ববিদ্যালয়ত এই সম্মিলনৰ আয়োজন কৰিছে। বিশ্ববিদ্যালয়খনৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত আজি সন্ধিয়া ৬ বজাত আৰম্ভ হ'বলগীয়া অনুষ্ঠানটো ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত বিশিষ্ট সংগীতশিল্পী তৰালী শর্মাই উদ্বোধন কৰিব। অনুষ্ঠানত মহাশ্বেতা গোস্বামীয়ে বৰগীত, জুৰমলয়া দাসে লোকগীত, ৰাহুল দাসে গজল, কৌশিক দাস আৰু প্ৰতিষ্ঠা চিত্ৰৎপলে আধুনিক গীত পৰিৱেশন কৰিব। আকাশবাণী গুৱাহাটীৰ উপ-

সঞ্চালকপ্রধান ৰবীন চন্দ্র বড়ো আৰু অনুষ্ঠান শাখাৰ মুৰববী কর্ডেলিন থ্যাংখিউৰে এই অনুষ্ঠানত সকলোৰে উপস্থিতি কামনা কৰিছে।

০০০০০০

অসম আৰক্ষীক অত্যাধুনিক কৰি তোলাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ অংশ হিচাপে মুখ্যমন্ত্রী ডঁ হিমন্ত বিশ্ব শর্মাই কালি দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত স্মার্ট ৰেচপন্ছ ইউনিটৰ শুভাৰম্ভ কৰে। আৰক্ষীৰ বিশেষ অভিযানৰ সামর্থ্য বৃদ্ধিৰ বাবে দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে এনেধৰণৰ গোট গঠন কৰা হৈছে বুলি মুখ্যমন্ত্রীয়ে উল্লেখ কৰে। আৰবান ইণ্টাৰভেনচন ইউনিট আৰু জাংগল ইণ্টাৰভেনচন ইউনিট নামৰ এই গোট দুটাত মুঠ ৬৫ গৰাকী কামাণ্ড' আছে। ইয়াৰে ৫২ গৰাকী পুৰুষ আৰু ৫৩ গৰাকী মহিলা। এই গোট দুটা স্বেচ্ছামূলক অংশগ্রহণৰ দ্বাৰা গঠন কৰা হৈছে। কালি মহাবীৰ লাচিত বৰফুকনৰ জয়ন্তীত মুখ্যমন্ত্রীয়ে লাচিত বৰফুকন একাডেমিত অসম আৰক্ষীৰ উপ-পৰিদর্শক আৰু কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্রহণ কৰি এই ব্যৱস্থাৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অংশ লৈ তেওঁ অহা ৫ বছৰত ২০ হাজাৰ নতুন নিযুক্তি দিয়া হ'ব বুলি ঘোষণা কৰে। ডঁ শর্মাই কয় যে পহিলা ফেব্রুৱাৰীত অসম আৰক্ষীত ৫ হাজাৰ ৭৭৪টা পদৰ বাবে নিযুক্তি প্ৰক্রিয়া আৰম্ভ হ'ব। অসম আৰক্ষীৰ নতুন পদৰ বিজ্ঞাপন শীঘ্রে প্ৰকাশ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্রীগৰাকীয়ে অসম আৰক্ষী আৰু ৰাজ্যিক দুর্যোগ সঁহাৰি বাহিনীত দুটা নতুন বেটেলিয়ন গঠন হ'ব বুলিও জানিবলৈ দিয়ে।

বাইট

০০০০০০

ভাৰত-বাংলাদেশ সীমান্তৰ পৰা নিখোঁজ হোৱা বি এছ এফ জোৱান কে ভেনুৰ মৃতদেহ আজি পুৱা শ্রীভূমি জিলাৰ কুশিয়াৰা নৈৰ ষ্টিমাৰ ঘাটৰ পৰা উদ্ধাৰ কৰা হয়। যোৱা দেওবাৰে নিশা বাংলাদেশী ম'হ চোৰাং সৰবৰাহকাৰীক আটক কৰাৰ বাবে কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱর্তী হৰিনগৰত চলোৱা অভিযানৰ সময়ত এই জোৱানজন সন্ধানহীন হৈছিল। জোৱানজনৰ মৃত্যুৰ প্ৰকৃত কাৰণ এতিয়ালৈ জানিব পৰা হোৱা নাই।

০০০০০০

অহা ৩০ নৱেম্বৰত হ'বলগীয়া মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ বাবে প্রচাৰ অভিযান তীব্রতৰ হৈ উঠিছে। প্রার্থীসকলে পৰিষদীয় সমষ্টিসমূহত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে প্রচাৰ চলাই আছে।

মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ বাবে মুঠ ২৯১ গৰাকী প্রার্থীয়ে প্রতিদ্বন্দ্বিতা আগবঢ়াইছে। সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনত ১১৯ গৰাকী প্রার্থী প্রতিদ্বন্দ্বিতাত অৱতীর্ণ হৈছে। ইয়াৰে ধেমাজি জিলাত ১৩, ডিব্রুগড়ত ৫০, গোলাঘাটত ৭, যোৰহাটত ১২, লখিমপুৰত ১০, শিৱসাগৰত ৪ আৰু তিনিচুকীয়াত ২৩ গৰাকী প্রার্থীয়ে নির্বাচনী যুঁজত প্রতিদ্বন্দ্বিতা আগবঢ়াইছে।

ইপিনে, মিচিং স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ বাবে মুঠ ১৭২ গৰাকী প্রার্থীয়ে নির্বাচনত প্রতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে বিশ্বনাথত ৬, ধেমাজিত ৫৭, ডিব্রুগড়ত ৫, গোলাঘাটত ২০, যোৰহাটত ৮, লখিমপুৰত ৩৮, মাজুলীত ২২, শিৱসাগৰত ৬, শোণিতপুৰত ৪ আৰু তিনিচুকীয়াত ছগৰাকী প্রার্থীয়ে নির্বাচনী যুঁজত অৱতীর্ণ হৈছে।

উল্লেখযোগ্য যে অহা ৩০ নৱেম্বৰৰ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি ৪ বজালৈ স্বায়ত্তশাসিত পৰিষদ দুখনৰ ভোটগ্রহণ অনুষ্ঠিত হ'ব। প্রয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোট গ্রহণ কৰা হ'ব। ৩ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হ'ব। নির্বাচনী প্রক্রিয়া সম্পূর্ণ কৰাৰ অন্তিম দিন ৫ ডিচেম্বৰ ধার্য্য কৰা হৈছে।

০০০০০০

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধন আৰু এন আৰ চি ৰূপায়ণৰ ক্ষেত্রত বিজেপি আৰু সদৌ অসম ছাত্র সন্থাৰ মাজত কোনো মৌলিক পার্থক্য নাই বুলি মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই প্রকাশ কৰিছে। দেৰগাঁৱৰ লাচিত

বৰফুকন পুলিচ একাডেমীত আয়োজিত দীক্ষান্ত সমাৰোহত অংশগ্রহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্রীগৰাকীয়ে কালি কয় যে বিজেপি, অসমৰ ভৱিষ্যতক লৈ উদ্বিগ্ন আৰু চিন্তিত। ৰাজ্যৰ অস্তিত্ব ৰক্ষাৰ স্বার্থত প্রতিজন সচেতন নাগৰিকে ভোটাৰ তালিকাৰ নিখুঁত পুংখানুপুংখ সংশোধন আৰু সম্পূর্ণ শুদ্ধ, বিদেশীমুক্ত এন আৰ চি বিচাৰে।

বাইট (চি এম)

উল্লেখযোগ্য যে সদৌ অসম ছাত্র সন্থাই বিষয়টো লৈ দাখিল কৰা আবেদন উচ্চতম ন্যায়ালয়ে শুনানিৰ বাবে গ্রহণ কৰিছে। ছাত্র সন্থাই খিলঞ্জীয়া অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ স্বার্থত ১৯৭১ চনৰ বর্ষভিত্তিৰ আধাৰত এখন শুদ্ধ এন আৰ চি আৰু অবৈধ বিদেশীমুক্ত ভোটাৰ তালিকাৰ পোষকতা কৰিছে।

০০০০০০

ভূপালত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ হকী প্রতিযোগিতাত আজি ভাৰত লীগ পর্যায়ৰ অন্তিমখন খেলত জাপানৰ বিৰুদ্ধে অৱতীর্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে প্রতিযোগিতাৰ ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰতে যোৱা নিশা লীগ পর্যায়ৰ এখন খেলত চীনক ৬-২ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ দীপিকাই হেট্রিক কৰাৰ বিপৰীতে লালৰেমছিয়ামী, নেহা আৰু সাক্ষী ৰাণাই এটাকৈ গ'ল দিয়ে। চীনৰ হৈ হং য়ুংগুন আৰু চেন টঙে এটাকৈ গ'ল দিয়ে। উল্লেখযোগ্য যে প্রতিযোগিতাখনত এয়া হৈছে ভাৰতৰ একেৰাহে চতুর্থ বিজয়। ইয়াৰ পূর্বে ভাৰতে মালয়েছিয়াক ৪-১, দক্ষিণ কোৰিয়াক ২-১ আৰু থাইলেণ্ডক ৭-০ গ'লত পৰাস্ত কৰিছিল। কালিৰ আন দুখন খেলত জাপানে মালয়েছিয়াক ৩-১ আৰু দক্ষিণ কোৰিয়াই থাইলেণ্ডক ১-০ গ'লত পৰাস্ত কৰে।

ভাৰত আৰু জাপান বর্তমান ১২ পইণ্টেৰে তালিকাৰ শীর্ষত আছে।

০০০০০০

সমাপ্ত